...ছ লেগু এক্ত কাৰ্যকৰী।
...া স্বাধীনতা লাভ।
...যুক্তৰাষ্ট্ৰৰ পেটেন্ট জাৰি।
... দেৱী ভাণ্ডাৰীৰ জন্ম।
...বজ্ঞ হাবাৰ্ট ক্ৰেবাৰৰ জন্ম।

# নিয়মীয়া বাৰ্তা

১৯ জুন ২০২৪ চন ☐ VOL-14 ☐ NO-104 ☐ WEDNESDAY 19 JUNE 2024 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1

D.H.S.K. College, A.C.C.C. Library
Estd. 1945
Date.......
Dibrugarh, Assam

### শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠানত বিশিষ্ট ব্যক্তিৰ অংশগ্ৰহণ

# কানৈ কলেজত উষাৰাণী লেখাৰু সোঁৱৰণী বঁটা প্ৰদান

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৮ জুন ঃ** লেখিকা, নিবন্ধকাৰ, সমাজসেৱিকা গুৱাহাটীৰ বাণী ফুকন, সমাজসেৱিকা, সু-বক্তা, তিনিচুকীয়া ব্ৰহ্মাকুমাৰী কেন্দ্ৰৰ মুৰব্বী বিকে ৰ'জনী, লেখিকা, চাবুৱাৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, কবি ৰূপা গগৈ, ধেমাজিৰ উদীয়মান লেখিকা লোপামুদ্ৰা দুৱৰা, ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ কৃতী ছাত্ৰী, ৰাজনীতি বিজ্ঞান বিভাগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা সোণৰ পদকপ্ৰাপ্ত ঢকুৱাখনাৰ বিদিশা হাজৰিকাক উষাৰাণী লেখাৰু সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পাঁচগৰাকী মহিলা, ইয়াৰে দুগৰাকী ছাত্ৰীক গীতিকাৰ, কবি, লেখিকা, স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী প্ৰয়াত উষাৰাণী লেখাৰু সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। প্ৰয়াত উষাৰাণী লেখাৰুৰ সোঁৱৰণীত তৃতীয়বাৰৰ বাবে প্ৰদান কৰা এই বঁটাত চেলেং, স্মাৰক, সম্বৰ্ধনা পত্ৰ আৰু নগদ ধন প্ৰদান কৰা হয়। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক, বঁটা প্ৰদান সমিতিৰ যুটীয়া সম্পাদক ৰাতুল গোঁহায়ে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আৰম্ভণিতে প্ৰয়াত উষাৰাণী লেখাৰুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে উষাৰাণী লেখাৰুৰ স্বামী, লেখক দিলীপ লেখাৰুৱে। উষাৰাণী লেখাৰুৰ কনিষ্ঠ কন্যা, শিক্ষয়িত্ৰী, নৃত্য গুৰু বিউটী লেখাৰু শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত আদৰণী ভাষণ আগবঢ়ায় লেখক, ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, বঁটা প্ৰদান সমিতিৰ সভাপতি ড° শশীকান্ত শইকীয়াই। চিকিৎসক, কবি প্ৰণয় ফুকনে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি প্ৰয়াত উষাৰাণী লেখাৰুয়ে তেওঁৰ জীৱন কালত স্বাস্থ্য খণ্ডৰ সৈতে জড়িত থকাৰ লগতে অসমীয়া সংগীত আৰু সাহিত্যৰ ক্ষেত্ৰখনলৈ দি যোৱা অৱদানৰ বিষয়ে উল্লেখ কৰি এগৰাকী আদৰ্শ মহিলা হিচাপে নিজৰ স্থান ৰাখি গৈছে বুলি কয়। যাৰ বাবে তেওঁৰ চাৰিগৰাকী কন্যা আজি সমাজৰ বিভিন্ন ক্ষেত্ৰত জড়িত হৈ নিজৰ নিজৰ পৰিচয় বুলিবলৈ সক্ষম হোৱা বুলি কয়। অনুষ্ঠানত চাবুৱা ডিডিআৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা, লেখিকা



১০ পৃষ্ঠাত